**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::**

১। নেপালত সামাজিক মাধ্যমৰ ওপৰত নিষেধাজ্ঞা আৰোপৰ প্ৰতিবাদত সৃষ্টি হোৱা বিক্ষোভৰ পৰিপ্ৰেক্ষিতত দেশখনৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে পদত্যাগ কৰিছে।
২। দেশৰ পঞ্চদশগৰাকী উপ-ৰাষ্ট্ৰপতি পদৰ বাবে আজি অনুষ্ঠিত নিৰ্বাচনৰ ভোটগণনা বৰ্তমান চলি আছে।
৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বান প্ৰভাৱিত পাঞ্জাবলৈ ১৬০০ কোটি টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।
৪। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰলৈ যাব। *আৰু*
৫। হংকং অপেন বেডমিণ্টন প্ৰতিযোগিতা ২০২৫ আজি আৰম্ভ হৈছে।

০০০০

নেপালত ফেচবুক, ইউটিউব আদি ২৬টা সামাজিক মাধ্যমৰ ওপৰত নিষেধাজ্ঞা আৰোপৰ প্ৰতিবাদত দেশখনৰ যুৱ প্ৰজন্মই চলোৱা হিংসাত্মক বিক্ষোভৰ পৰিপ্ৰেক্ষিতত দেশখনৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে পদত্যাগ কৰে। দুপৰীয়াৰ ভাগত ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পোড়েলে প্ৰধানমন্ত্ৰীৰ পদত্যাগপত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে, ৰাজধানী কাঠমাণ্ডু আৰু দেশখনৰ অন্যান্য প্ৰান্তত  কালি যুৱ প্ৰজন্মৰ বিক্ষোভ নিয়ন্ত্ৰণৰ বাবে নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰিবলগীয়া হোৱাত ১৯গৰাকী প্ৰতিবাদকাৰী নিহত আৰু ভালেসংখ্যক প্ৰতিবাদকাৰী আহত হৈছিল। এই প্ৰতিবাদত সেও মানি নেপাল চৰকাৰে কালি বিয়লিৰ ভাগত সামাজিক মাধ্যমৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰে যদিও সান্ধ্য আইনৰ মাজতে আজি সমগ্ৰ দেশজুৰি পুনৰ প্ৰতিবাদৰ সৃষ্টি হয়। প্ৰতিবাদকাৰী সকলে আজি কাঠমাণ্ডুত থকা দেশখনৰ সংসদ ভৱন আৰু ৰাষ্ট্ৰপতি ভৱনত অগ্নিসংযোগ কৰাৰ লগতে ভালেকেইগৰাকী মন্ত্ৰীৰ বাসভৱনতো অংগ্নিসংযোগৰ চেষ্টা চলায়। অসমৰ্থিত বাতৰি অনুসৰি প্ৰতিবাদকাৰীয়ে দেশখনৰ এগৰাকী প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ ঘৰত অগ্নিসংযোগ কৰাৰ ফলত তেওঁৰ পত্নীৰ অগ্নিদগ্ধ হৈ মৃত্যু ঘটিছে। নেপালৰ সেনাবাহিনী প্ৰধান জেনেৰেল অশোক ৰাজ চিক্‌দেলে প্ৰতিবাদকাৰীসকলক হিংসাত্মক প্ৰতিবাদৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। কাঠমাণ্ডুৰ ত্ৰিভুৱন আন্তৰ্জাতিক বিমান বন্দৰ বৰ্তমান বন্ধ কৰি দিয়া হৈছে আৰু দেশখনৰ এনে অভূতপূৰ্ব অৰাজক পৰিস্থিতিত নেপাললৈ যাত্ৰা কৰা কেইবাখনো বিদেশী ৰাষ্ট্ৰৰ বিমান আন স্থানলৈ ঘূৰি যাবলগীয়া হৈছে।

ভাৰত চৰকাৰে চুবুৰীয়া দেশখনৰ পৰিস্থিতিৰ ওপৰত নিৰন্তৰ দৃষ্টি ৰাখিছে আৰু নেপালত থকা ভাৰতীয় লোকসকলক ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগ ৰাখিবলৈ পৰামৰ্শ দিছে। কাঠমাণ্ডুস্থিত ভাৰতীয় দূতাবাসে ইতিমধ্যে দুটা ফোন নম্বৰ মুকলি কৰি দিছে।  বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে নেপালৰ পৰিস্থিতি স্বাভাৰিক নোহোৱা

পৰ্যন্ত দেশখন ভ্ৰমণ নকৰিবলৈ ভাৰতীয় নাগৰিকসকলক পৰামৰ্শ দিছে। নেপালৰ সৈতে থকা ভাৰতৰ সীমান্তত সশস্ত্ৰ সীমা বলৰ পহৰা অধিক শক্তিশালী কৰা হৈছে। এয়াৰ ইণ্ডিয়া আৰু ইণ্ডিগো এয়াৰলাইন্সকে ধৰি ভাৰতীয় বিমান সংস্থাসমূহে নেপাললৈ যাবলগীয়া সকলো বিমানৰ যাত্ৰা বাতিল কৰিছে।

০০০০

দেশৰ পঞ্চদশগৰাকী উপ-ৰাষ্ট্ৰপতি পদৰ বাবে আজি অনুষ্ঠিত  নিৰ্বাচনৰ ভোটগণনা বৰ্তমান চলি আছে। আজি দিনৰ ১০ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি ৫ বজাত সম্পন্ন হয়। আজি লোকসভা আৰু ৰাজ্যসভাৰ মুঠ ৭৮১ গৰাকী সাংসদৰ ৯৬ শতাংশই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দিতা হৈছে।

উল্লেখযোগ্য যে পূৰ্বৰ উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে যোৱা জুলাই মাহত পদত্যাগ কৰাৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বান প্ৰভাৱিত পাঞ্জাবলৈ ১৬০০ কোটি টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। ইতিমধ্যে ৰাজ্যখনলৈ অনুমোদন জনোৱা ১২ হাজাৰ কোটি টকাৰ অতিৰিক্তভাৱে এই পুঁজি আগবঢ়োৱা হ'ব। ইপিনে, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আৰু এছ দি আৰৰ দ্বিতীয় কিস্তিৰ ধনো ৰাজ্যখনৰ বাবে আগতীয়াকৈ মুকলি কৰি দিয়া হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে বানৰ দৰে প্ৰাকৃতিক দুৰ্যোগত নিহত লোকসকলৰ নিকট আত্মীয়লৈ ২ লাখ টকাৰ আৰু গুৰুতৰভাৱে আহতসকলক ৫০ হাজাৰ টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে। বানৰ ফলত মাওৰা হোৱা লৰা ছোৱালীক সহায়ৰ অৰ্থে প্ৰধানমন্ত্ৰী শিশু যতন আঁচনিৰ অধীনত সাহায্য আগবঢ়োৱা হ'ব বুলিও তেওঁ ঘোষণা কৰে। ইয়াৰ জৰিয়তে তেওঁলোকৰ দীৰ্ঘদিনীয়া কল্যান নিশ্চিত হব বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি পাঞ্জাবৰ গুৰদাসপুৰত ৰাজ্যখনৰ বান পৰিস্থিতিৰ বুজ লয়। তেওঁ হিমাচল প্ৰদেশৰ কাঙৰাতো বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ ৰাজ্য দুখনৰ চৰকাৰে গ্ৰহণ কৰা সাহায্য আৰু পুনৰ সংস্থাপন ব্যৱস্থাৰ পৰ্যালোচনা কৰিছে। এই ভ্ৰমণসূচীৰ আৰম্ভণিতে  প্ৰধানমন্ত্ৰীগৰাকীক পাঞ্জাবৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া, কৃষি আৰু কৃষক কল্যান মন্ত্ৰী কুলদীপ সিং ধালিৱাল আৰু পশুপালন মন্ত্ৰী গুৰমিত সিং খুদ্দিয়ান, বিজেপিৰ কেইবাগৰাকীও নেতা আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াবৰ্গই বিমান বন্দৰত আদৰণি জনায়।

প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ বাবে এখন বৈঠকত অংশগ্ৰহণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত পৰিয়ালৰ সৈতেও মত বিনিময় কৰিব। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে এই জটিল পৰিস্থিতিৰ কৱলত পৰা লোকসকলৰ সৈতে কেন্দ্ৰীয় চৰকাৰে কান্ধত কান্ধ মিলাই আগবাঢ়ি যাব। প্ৰধানমন্ত্ৰী মোদীয়ে উদ্ধাৰ আৰু সাহায্য অভিযানত জড়িত হৈ থকা ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী- এন ডি আৰ এফ, ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনী - এছ ডি আৰ এফ আৰু আপদা মিত্ৰ বাহিনীৰ লোকসকলকো সাক্ষাৎ কৰিব।

জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা ৰাজ্য দুখনৰ জনসাধাৰণলৈ আগবঢ়োৱা সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা পোনপটীয়াকৈ পৰ্যালোচনা কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণসূচী যুগুত কৰা হৈছে।

০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰলৈ যাব। ভ্ৰমণৰ প্ৰথম দিনা শ্ৰীপ্ৰধানে আবুধাবিৰ শিক্ষা আৰু তথ্য বিভাগৰ অধ্যক্ষ চাৰা মুছাল্লামক সাক্ষাৎ কৰাৰ লগতে ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান দিল্লীৰ আবুধাবিত থকা চৌহদলৈ যাব। তাত তেওঁ অটল ইনকুবেছন কেন্দ্ৰ মুকলি কৰিব। এয়া হৈছে বিদেশত থকা প্ৰথমটো অটল ইনকুবেছন কেন্দ্ৰ। মন্ত্ৰীগৰাকীয়ে ডক্টৰেট ডিগ্ৰী আৰু বি টেক পাঠ্যক্ৰম মুকলি কৰাৰ লগতে শিক্ষাৰ্থী আৰু শিক্ষক শিক্ষয়িত্ৰীসকলৰ সৈতেও বাৰ্তালাপ কৰে। সেইদিনাই তেওঁ আবুধাবিত BAPS হিন্দু মন্দিৰ ভ্ৰমণ কৰাৰ লগতে ডুবাইত থকা চিম্বইছিছ বিশ্ববিদ্যালয়ৰ প্ৰথম প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানতো ভাগ লব। ভ্ৰমণৰ দ্বিতীয় দিনা তেওঁ ভাৰতীয় আই আই এম আহমেদাবাদৰ ডুবাইত থকা প্ৰতিষ্ঠানটোৰ মুকলি কাৰ্যসূচীত ভাগ ল'ব। তেওঁৰ সৈতে সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ শিক্ষামন্ত্ৰী ডঃ আব্দুল ৰেহমান অল অৱৰ উপস্থিত থাকিব। পাছত শ্ৰীপ্ৰধানে দেশখনত থকা ভাৰতৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ প্ৰতিনিধিসকলৰ সৈতে এখন ঘূৰণীয়া মেজমেলতো ভাগ ল'ব। তেওঁ **এক পেৰ মা কে নাম** গছপুলি ৰোপণ কাৰ্যসূচীতো ভাগ লব। শ্ৰীপ্ৰধানে ৰাষ্ট্ৰখনত থকা ভাৰতীয় বিদ্যালয়সমূহত অটল টিনকাৰিং লেৱ মুকলি কাৰ্যসূচীতো ভাগ লব। মন্ত্ৰালয়ে জনোৱা মতে শ্ৰীপ্ৰধানৰ এই দুদিনীয়া ভ্ৰমণসূচী দুয়োখন দেশৰ মাজৰ শিক্ষাখণ্ডত থকা দ্বিপাক্ষিক সহযোগিতা আৰু অধিক সুদৃঢ় কৰিব।

০০০০

ৰাছিয়াত কাইলৈৰ পৰা হ'বলগীয়া বহুপাক্ষিক যুটীয়া সামৰিক অনুশীলন-জাপাদ ২০২৫ ত অংশগ্ৰহণ কৰাৰ বাবে ভাৰতীয় সেনা বাহিনীৰ এটা দল আজি ৰাওনা হৈছে। সামৰিক সহযোগিতা বৃদ্ধি, আন্তঃসঞ্চালন ব্যৱস্থা উন্নত কৰাৰ লগতে পৰম্পৰাগত যুদ্ধ আৰু সন্ত্ৰাসবাদ প্ৰতিৰোধী অভিযানৰ ৰণনীতি, কাৰ্যপদ্ধতি, প্ৰয়োগ কৌশল আদি আদান প্ৰদানৰ বাবে এখন মঞ্চ সৃষ্টিৰ লক্ষ্যৰে ৭ দিনীয়া এই অনুশীলনৰ আয়োজন কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তিযোগে কোৱা হৈছে যে ভাৰতীয় সেনা বাহিনীৰ দলটোক কুমাও ৰেজিমেণ্টৰ এটা বেটেলিয়নৰ লগতে আন আন সৈনিকসকলে নেতৃত্ব দিছে। এই দলটো ভাৰতীয় সেনা বাহিনীৰ ৫৭ জন, বায়ু সেনা বাহিনীৰ ৭ জন আৰু নৌ সেনা বাহিনীৰ এজন জোৱানক লৈ গঠন কৰা হৈছে। এই অনুশীলনে যুটীয়া কাৰ্যকৰী ব্যৱস্থা, ন ন প্ৰযুক্তি একত্ৰিত কৰা আৰু বহুদেশীয় যুদ্ধ পৰিস্থিতিত সৈনিক সঞ্চালন কৰোৱা আদিৰ দৰে গুৰুত্বপূৰ্ণ কাম-কাজ সুচল কৰি তুলিব।

০০০০

সমাপ্ত